# পাঠ নং - ২২
# গণতন্ত্ৰ আৰু ইয়াৰ নীতিসমূহ

3SLCTI

**মূল অৰ্হতা**

- গণতন্ত্ৰ আৰু ইয়াৰ নীতিসমূহ যেনে— স্বাধীনতা, অধিকাৰ, সমতা আৰু নাগৰিকৰ কৰ্তব্য সম্পৰ্কে জনা।
- নাগৰিকৰ অধিকাৰৰ লগতে নিজৰ দেশৰ প্ৰতি কৰিবলগীয়া কৰ্তব্যসমূহৰ বিষয়ে ধাৰণা দিয়া।
- ব্যক্তিগত আৰু সামাজিক জীৱনৰ ওপৰত উল্লেখিত ধাৰণাবোৰ শিক্ষাৰ্থীক অৱগত কৰোৱা।

### গণতন্ত্ৰ আৰু ব্যক্তিৰ স্বাধীনতা ঃ

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। আমাৰ দেশত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ দীঘলীয়া সংগ্ৰাম কৰিবলগীয়া হৈছিল। এই শাসন ব্যৱস্থা জনপ্ৰিয় হোৱাৰ কাৰণ হ'ল, গণতন্ত্ৰত সকলো লোকে পোনপটীয়াকৈ অথবা আওপকীয়াকৈ দেশৰ শাসনব্যৱস্থাত অংশগ্ৰহণ কৰিবলৈ সুবিধা পায়।

গণতন্ত্ৰত কিছুমান বিশেষ নীতি আছে। তাৰ ভিতৰত স্বাধীনতা, সমতা, ন্যায়, অধিকাৰ, চৰকাৰ গঠনত জনসাধাৰণৰ অংশগ্ৰহণ কৰাৰ সুযোগ আদি অন্যতম। এই নীতিবিলাকে এজন নাগৰিকক মুক্ত জীৱন-যাপন কৰিবলৈ সুযোগ প্ৰদান কৰে। গণতন্ত্ৰত আমি কেনেদৰে স্বাধীনতা উপভোগ কৰিব পাৰোঁ তাকে চাওঁ আহা —

ছাত্ৰ-ছাত্ৰীসকলে পূজা বন্ধ কেনেকৈ উপভোগ কৰিলে শিক্ষয়িত্ৰীয়ে জানিবলৈ বিচাৰিলে—



ছাত্ৰ-ছাত্ৰীসকলে কৰা কামবোৰৰ পৰা আমি নিজৰ দেশত কেনেধৰণৰ স্বাধীনতা উপভোগ কৰিব পাৰোঁ জুকিয়াই চাওঁ আহা।

- নিজৰ মনৰ ভাব প্ৰকাশ কৰিব পাৰোঁ।
- সকলো ধৰ্মকে সন্মান জনাই প্ৰত্যেকেই নিজৰ ধৰ্ম মানি চলি থাকিব পাৰোঁ।
- আমি সকলোৱে নিজৰ দেশৰ ভিতৰত মুকলিভাৱে এঠাইৰ পৰা আনঠাইলৈ যাব পাৰোঁ।
- আমি নিজৰ ৰাজ্যৰ বাহিৰে আমাৰ দেশৰ আন ৰাজ্যটো মাটি কিনি ঘৰ সাজি বাস কৰিব পাৰোঁ।
- প্ৰয়োজন অনুসৰি অনুষ্ঠান-প্ৰতিষ্ঠানত যোগ দিব পাৰোঁ।

গণতান্ত্ৰিক চৰকাৰত জনসাধাৰণক ব্যক্তিত্ব বিকাশৰ বাবে বহুতো স্বাধীনতা দিছে আৰু আমি সকলোৱে সেই স্বাধীনতাসমূহ উপভোগ কৰিব পাৰোঁহক।

### স্বাধীনতা আৰু ইয়াৰ অৰ্থ ঃ


গণতান্ত্ৰিক দেশত স্বাধীনতা মানে নিজৰ ইচ্ছামতে সকলো কাম কৰি যোৱাকে নুবুজায়। অৰ্থাৎ স্বাধীনতা মানে কোনো এজন ব্যক্তিয়ে আন ব্যক্তিৰ অধিকাৰ ভঙ্গ নকৰাকৈ নিজ ইচ্ছা মতে কাম কৰিব পৰাকে **স্বাধীনতা** বোলে। যেনে— ৰেডিঅ', টি.ভি. ডাঙৰকৈ বজাই আনক আমনি নকৰা, নিয়ম মানি ৰাস্তাত ফুৰা-চকা কৰা আদি।

**ক্ৰিয়া-কলাপ ঃ**

নিজৰ অভিমত ব্যক্ত কৰা — "এজন ব্যক্তিৰ স্বাধীনতাই যাতে আন ব্যক্তিৰ স্বাধীনতাত বাধাৰ সৃষ্টি নকৰে তাৰ প্ৰতি সকলোৱে সচেতন হোৱা উচিত।" শিক্ষক-শিক্ষয়িত্ৰীয়ে সহায় কৰিব।

### ব্যক্তিৰ অধিকাৰ ঃ

গণতান্ত্ৰিক শাসনব্যৱস্থাত স্বাধীনতাৰ লগতে ইয়াৰ নাগৰিকে কিছুমান অধিকাৰো লাভ কৰিছে। অধিকাৰনো কি জানানে? **অধিকাৰ হৈছে ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ বাবে পোৱা সুবিধাসমূহ।** তোমালোকে সংবিধানৰ নাম নিশ্চয় শুনিছা। সংবিধান হ'ল আমাৰ দেশখন পৰিচালনা কৰিবলৈ প্ৰস্তুত কৰা কিছুমান নীতি -নিয়ম। ভাৰতীয় গণতন্ত্ৰত এখন লিখিত সংবিধান আছে। আমাৰ সংবিধানে নাগৰিকসকলক কিছুমান মৌলিক অধিকাৰো দিছে। এই মৌলিক অধিকাৰসমূহনো কি কি জানি লওঁ আহা—




সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, প্ৰাথমিক শিক্ষাৰ অধিকাৰ, ধৰ্মীয় অধিকাৰ, সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ, সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ। এই অধিকাৰসমূহে আমাক নিজৰ প্ৰাপ্যখিনিৰ বিষয়ে জানিবলৈ দিয়ে।

**জানি থওঁ আহা ঃ**

২০১০ চনৰ পৰা প্ৰাথমিক শিক্ষা শিশুৰ মৌলিক অধিকাৰ হিচাপে কাৰ্যকৰী কৰা হৈছে।

**গণতন্ত্ৰ আৰু সমতা ঃ**

এতিয়া গণতন্ত্ৰত কিদৰে নাগৰিকে সমতাৰ অধিকাৰ লাভ কৰিব পাৰে আলোচনা কৰোঁ আহা।

তোমালোকে আগৰ পাঠত পাই আহিছা যে

- মণিমালা বাইদেউ আৰু সোণটোৰ দেউতাকে চৰকাৰ গঠন কৰাত সমানে ভোটদান কৰিছিল। কিয়নো গণতন্ত্ৰত পুৰুষ, মহিলা, ধনী আৰু দুখীয়া সকলোৰে ভোটৰ মূল্য সমান।
- সোণটোৱে ১৮ বছৰ বয়স হ'লেহে ভোট দিয়াৰ অধিকাৰ পাব। ঠিক সেইদৰে এই বয়সৰ দেশৰ সকলো নাগৰিকেই ভোটদানৰ অধিকাৰ পায়।
- প্ৰতিজন নাগৰিকে ৰাজহুৱা খেলপথাৰ, হোটেল, দোকান, বজাৰ, বাট-পথ আদি ব্যৱহাৰ কৰিব পাৰে।

মহাত্মা গান্ধীৰ বিষয়ে তোমালোকে পাই আহিছা। এই মহান নেতাগৰাকীয়ে সমাজত থকা উচ্চ-নীচ ভাব দূৰ কৰিবৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। এটা সময়ত দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় লোকসকলক সেই ঠাইৰ চৰকাৰী বিষয়ববীয়াসকলে অতি বেয়া ব্যৱহাৰ কৰিছিল। গান্ধীজীয়ে সত্যাগ্ৰহ আন্দোলন কৰি এই ভাৰতীয়সকলৰ প্ৰতি থকা বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল আৰু সমাজত সমতা স্থাপনৰ বাবে যুঁজ দিছিল।

গান্ধীজীৰ অহিংস নীতি আৰু অসহযোগ আন্দোলনে পৰাধীন ভাৰতক স্বাধীন কৰিছিল।

এই খিনিতে তোমালোকক নিজ মাতৃভাষাৰ সমতাৰ বাবে যুঁজি প্ৰাণ দিয়া দক্ষিণ আফ্ৰিকাৰ হেক্টৰ নামৰ ল'ৰা এজনৰ কাহিনী কওঁ শুনা—

*মায়া নাইডু এজনী ১১ বছৰীয়া ছোৱালী। তাই মাক-দেউতাকৰ লগত দক্ষিণ আফ্ৰিকাৰ চহৰ জোহান্সবাৰ্গত আছিল। এদিনাখন তাই পুৰণা বাকচ কেইটামান পৰিষ্কাৰ কৰি থাকোতে বাকচৰ তলিত কিছুমান খবৰ কাগজৰ টুকুৰা আৰু এলবাম এটা পাইছিল। এই ছবিবোৰৰ মাজত ১৫ বছৰীয়া এজন কিশোৰৰ ছবিও আছিল। মায়াই মাকক এই ল'ৰাজনৰ বিষয়ে সোধাত তাৰ নাম হেক্টৰ বুলি কৈছিল। মাকে বৰ দুখেৰে কৈছিল যে ল'ৰাজনক পুলিচে গুলীয়াই হত্যা কৰিছিল। তেওঁৰ কথা শুনি মায়া বৰ দুঃখিত হৈছিল আৰু গোটেই কাহিনীটো মাকক বৰ্ণনা কৰিবলৈ কৈছিল। মাকে কৈছিল যে সেইসময়ত দক্ষিণ আফ্ৰিকাত বৰ্ণ-বৈষম্য আইন প্ৰচলিত আছিল। বৰ্ণ-বৈষম্য আইন মানে মানুহৰ দেহৰ বৰণৰ ওপৰত নিৰ্ভৰ কৰি কৰা আইন। দক্ষিণ আফ্ৰিকাৰ জনসাধাৰণক বগা, ক'লা, ভাৰতীয় আদি ভাগত ভগোৱা হৈছিল। এটা শ্ৰেণীক আনটো শ্ৰেণীৰ লগত মিলা-মিছা কৰিবলৈ দিয়া নহৈছিল আৰু গাৰ বৰণৰ ওপৰত কেন্দ্ৰ কৰি বহুতকে বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত কৰা হৈছিল। ইউৰোপীয় মূলৰ ব্যক্তিসকলৰ গাৰ বৰণ বগা হোৱা বাবে তেওঁলোকক* ***শ্বেতাঙ্গ*** *আৰু আফ্ৰিকীয় মূলৰ লোকসকলৰ গাৰ বৰণ ক'লা হোৱাৰ বাবে তেওঁলোকক* ***কৃষ্ণাঙ্গ*** *বোলা হৈছিল। শ্বেতাঙ্গসকলে চৰকাৰ গঠন কৰি শাসন কৰিছিল। কৃষ্ণাঙ্গসকলক ভোট দিয়াৰ অধিকাৰ দিয়া হোৱা নাছিল আৰু লগতে তেওঁলোকৰ বাবে বেলেগ ৰে'লসেৱা, বাছসেৱা, স্বাস্থ্যসেৱা আৰু সুকীয়া বিদ্যালয়ৰ ব্যৱস্থা আছিল। শাসকসকলে কৃষ্ণাঙ্গসকলৰ স্বাধীনতাত বাধা দিছিল। হেক্টৰ আছিল এজন কৃষ্ণাঙ্গ কিশোৰ। হেক্টৰে নিজৰ মাতৃভাষা 'জুলু'ত শিক্ষাগ্ৰহণ কৰিছিল। কিন্তু, চৰকাৰে সকলোতে শ্বেতাঙ্গসকলে কোৱা আফ্ৰিকানচ্ ভাষা (Afrikaans Language) বলপূৰ্বকভাৱে গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল। ইয়াৰ বিৰোধিতা কৰি হেক্টৰে তাৰ সমনীয়াৰ সৈতে আন্দোলনত যোগ দিছিল। দক্ষিণ আফ্ৰিকাৰ পুলিচে এই আন্দোলন ৰোধ কৰিবলৈ আন্দোলনকাৰীৰ ওপৰত মাৰপিট আৰু গুলীচালনা কৰিছিল। এই গুলীচালনাতে হেক্টৰৰ মৃত্যু হয়।*

**(উৎস ঃ সমাজ বিজ্ঞান (ষষ্ঠ শ্ৰেণী), সামাজিক আৰু ৰাজনৈতিক জীৱন (প্ৰথম ভাগ), ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ, দিল্লী- ২০০৬, অধ্যায়- ৪, পৃষ্ঠা নং ৩৫)**

হেক্টৰৰ কাহিনীটোৰ পৰা তোমালোকে এই কথা জানিলা যে, কৃষ্ণাঙ্গসকলে মাতৃভাষাৰ সমতা প্ৰতিষ্ঠাৰ বাবে আৰু বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে আন্দোলন কৰিব লগা হৈছিল। এই আন্দোলনেই পিছলৈ নেলচন মেণ্ডেলাৰ নেতৃত্বত দক্ষিণ আফ্ৰিকাত ১৯৯৪ চনত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাত সহায় কৰে।

**জানি থওঁ আহা ঃ**

- পৃথিৱীৰ বহু দেশে গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ সংগ্ৰাম কৰিছিল।
- ভাৰতবৰ্ষত বহু বিশিষ্ট ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত গণতন্ত্ৰ প্ৰতিষ্ঠা হয়।
- গণতন্ত্ৰত সকলোকে সমান বুলি গণ্য কৰা হয়।


## গণতন্ত্ৰত নাগৰিকৰ কৰ্তব্য ঃ

আমাৰ সংবিধানে যিদৰে নাগৰিকসকলক কিছুমান অধিকাৰ দিছে, সেইদৰে নাগৰিকসকলেও কৰিবলগা ভালেমান কৰ্তব্য আৰু দায়িত্বৰ বিষয়ে উল্লেখ কৰিছে।


আমাৰ ৰাষ্ট্ৰৰ প্ৰতি নাগৰিকসকলৰ কৰিবলগা ১১ টা (এঘাৰটা) মৌলিক কৰ্তব্য আছে। সেইকেইটা হ'ল —



১। দেশৰ ৰাষ্ট্ৰীয় সংগীত আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি সন্মান দেখুওৱা।




২। স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহক শ্ৰদ্ধা কৰা।



৩। ভাৰতৰ ঐক্য আৰু সংহতি ৰক্ষা কৰা।

৪। দেশখনক ৰক্ষা কৰা আৰু দেশৰ প্ৰতি সেৱা আগবঢ়োৱা।



৫। ভাৰতৰ বিভিন্ন অঞ্চলৰ মানুহৰ মাজত ভাতৃত্ববোধ সৃষ্টি কৰা।

৬। ভাৰতৰ ঐতিহ্যক মৰ্যদা দিয়া আৰু সংৰক্ষণ কৰা।

৭। প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়াশীল হোৱা।

৮। বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰা।

৯। ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাম পৰিহাৰ কৰা।

১০। নিজৰ আৰু ৰাইজৰ কাম-কাজৰ উৎকৰ্ষ সাধন কৰি দেশৰ উন্নতি সাধন কৰা।

১১। ৬ৰ পৰা ১৪ বছৰৰ শিশুক পিতৃ-মাতৃ/অভিভাৱকে প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুবিধা দিয়া।

**মনত ৰাখিবলগীয়া কথা ঃ**

- গণতন্ত্রত কিছুমান বিশেষ নীতি আছে। তাৰ ভিতৰত স্বাধীনতা, সমতা, ন্যায়, অধিকাৰ, চৰকাৰ গঠনত জনসাধাৰণৰ অংশগ্ৰহণ কৰাৰ সুযোগ আদি।
- বহুতো বিশিষ্ট ব্যক্তিৰ আশাসুধীয়া চেষ্টাৰ ফলত ভাৰতবৰ্ষত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা হৈছে।
- এজন ব্যক্তিৰ স্বাধীনতাই যাতে আন এজন ব্যক্তিৰ স্বাধীনতাত আঘাত নজন্মায় তাৰ প্ৰতি সকলোৰে সচেতন হোৱা উচিত।
- ২০১০ চনৰ পৰা প্ৰাথমিক শিক্ষা শিশুৰ মৌলিক অধিকাৰ হিচাপে কাৰ্যকৰী কৰা হৈছে।
- আমাৰ সংবিধানে ৬ টা মৌলিক অধিকাৰ আৰু ১১ টা মৌলিক কৰ্তব্য প্ৰত্যেক নাগৰিকক প্ৰদান কৰিছে।

**অনুশীলনী ঃ**

১। চমু উত্তৰ লিখা—

ক) গণতন্ত্ৰৰ এটা নীতিৰ নাম লিখা।

খ) যুগলহঁতে পূজাৰ বন্ধত কি ক্লাব খুলিলে?

গ) মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত কি আন্দোলন কৰিছিল ?

২। উত্তৰ দিয়া—

ক) গণতন্ত্ৰ জনপ্ৰিয় হোৱাৰ কাৰণ কি?

খ) নাগৰিকৰ অধিকাৰ কেইটা আৰু কি কি?

গ) তুমি দেশৰ কাৰণে কৰিব পৰা দুটা কৰ্তব্যৰ বিষয়ে উল্লেখ কৰা।

ঘ) প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰিবলৈ তোমালোকে কি কি কাম কৰিবা উল্লেখ কৰা।

ঙ) আমি আমাৰ দেশত উপভোগ কৰিব পৰা দুটা অধিকাৰ উল্লেখ কৰা।

৩। খালী ঠাই পূৰ কৰা—

ক) আমি নিজৰ ৰাজ্যৰ বাহিৰে আমাৰ দেশৰ আন ____________ মাটি কিনি ঘৰ সাজি থাকিব পাৰোঁ।

খ) শিশুৰ প্ৰাথমিক শিক্ষাৰ আইনখন ____________ চনত কাৰ্যকৰী কৰা হয়।

গ) ভাৰতবৰ্ষ এখন ____________ দেশ।

ঘ) ভাৰতৰ ____________ আৰু সংহতি ৰক্ষা কৰা আমাৰ মৌলিক কৰ্তব্য।

৪। হেক্টৰৰ কাহিনীটো পঢ়ি কৃষ্ণাঙ্গ শ্ৰেণীয়ে কি কি অধিকাৰৰ পৰা বঞ্চিত হৈ আছিল লিখা।

৫। **দলগত কাৰ্য**—

আমি মৌলিক কৰ্তব্য কিয় পালন কৰিব লাগে আলোচনা কৰা। (শিক্ষক-শিক্ষয়িত্ৰীয়ে আলোচনাৰ আঁত ধৰিব)

৬। **প্ৰকল্প ঃ**

ক) বিভিন্ন দেশৰ জাতীয় পতাকাৰ ছবিসমূহ সংগ্ৰহ কৰি এটা এলবাম প্ৰস্তুত কৰা।

খ) আমাৰ দেশৰ ৰাষ্ট্ৰীয় আৰু জাতীয় সংগীত দুটি শুদ্ধকৈ লিখি চৰ্চা কৰা।

* * * * * * * *